**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

০০০০০০০০০

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলৰ ৰিঅ' ডি জেনেঅ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ আপাহতে কালি কেইবাগৰাকীও বিশ্ব নেতাৰ সৈতে বৈঠকত মিলিত হয়।

২।	চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে ২৪ নৱেম্বৰত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে।

৩।	উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ ভয়াবহ প্ৰদুষণলৈ চাই সকলো ন্যায়াধীশকে যথাসম্ভৱ ভাৰ্চুৱেল ব্যৱস্থাৰে শুনানী গ্ৰহণ কৰিবলৈ কোৱা হৈছে বুলি প্ৰকাশ কৰিছে ।

৪।	ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে।

*আৰু*

৫।	ভাৰতীয় প্ৰতিযোগিতা আয়োগে ২০২১ চনত গোপনীয়তা নীতিৰ আপডেট সন্দৰ্ভত ছ'চিয়েল মিডিয়া প্লেটফৰ্ম মেটাক ২১৩ কোটি ১৪ লাখ টকাৰ জৰিমনা বিহিছে।০০০০০

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ব্ৰাজিলৰ ৰিঅ' ডি জেনেঅ'ত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনৰ আপাহতে কালি কেইবাগৰাকীও বিশ্ব নেতাৰ সৈতে বৈঠকত মিলিত হয়। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে ইজিপ্তৰ ৰাষ্ট্ৰপতি অব্দেল ফটহ অল চিচি, দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি য়ুন ছুক য়োল আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা, ৱ'ন ডেৰ লেএনসহ কেইবাগৰাকীও নেতাৰ সৈতে হোৱা এই আলোচনাৰ সবিশেষ প্ৰকাশ কৰিছে।

ইউৰোপীয় সংঘৰ অধক্ষৰ সৈতে হোৱা বৈঠকৰ অন্তত প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰতে বিশ্বৰ হিতৰ বাবে ইউৰোপীয় সংঘৰ সৈতে ঘনিষ্ঠ সহযোগিতাৰে কাম কৰি যাব। প্ৰধানমন্ত্ৰীয়ে ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি প্ৰবোৱো চুবিয়ান্তোৰ সৈতে বাণিজ্য, স্বাস্থ্য সেৱা আৰু সুৰক্ষা সহযোগিতা বৃদ্ধিৰ বিষয়ে আলোচনা কৰে। আনহাতে, পৰ্টুগালৰ প্ৰধানমন্ত্ৰী লুইচ মণ্টেনেগ্ৰোৰ সৈতে হোৱা আলোচনাত নবীকৰণযোগ্য শক্তি, সেউজ হাইড্ৰ'জেন আৰু প্ৰতিৰক্ষা সহযোগিতাৰ বিষয়কেইটাই স্থান লাভ কৰে। একেদৰে, নৰৱেৰ প্ৰধানমন্ত্ৰী জোনাছ গহৰ ষ্টোৰৰ সৈতে বৈঠকত বাণিজ্য, অৰ্থনৈতিক সহযোগিতা আৰু নবীকৰণযোগ্য শক্তি তথা সামুদ্ৰিক অৰ্থনীতিৰ ক্ষেত্ৰত যৌথ প্ৰচেষ্টাৰ বিষয় লৈ চৰ্চা হয়। এই আলোচনাসমূহে বহনক্ষম ভৱিষ্যতৰ বাবে গোলকীয় সহযোগিতা আৰু অংশীদাৰিত্ব সুদৃঢ় কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাকে সূচাইছে। ইয়াৰ পূৰ্বে, জি টুৱেণ্টি শীৰ্ষ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে দৰিদ্ৰতা দূৰীকৰণ আৰু খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতে লাভ কৰা সাফল্যৰ বিষয়ে আলোকপাত

কৰে। এই প্ৰসংগত শ্ৰীমোদীয়ে বিগত দশকত ২৫ কোটি লোকক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত কৰাৰ দৰে সাফল্য গাথাৰ বিষয়ে উল্লেখ কৰে। গোলকীয় ক্ষুধা আৰু দৰিদ্ৰতা নিৰ্মুলকৰণৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে, জি-টুৱেণ্টি শীৰ্ষ সন্মিলনৰ আলোচনাত গ্লোবেল ছাউথৰূপে পৰিচিত আৰ্থিক আৰু ঔদ্যোগিক দিশৰ পৰা তুলনামূলকভাৱে কম উন্নত ৰাষ্ট্ৰসমূহৰ উদ্বেগসমূহে স্থান লাভ কৰা উচিত। প্ৰধানমন্ত্ৰীয়ে লগতে ক্ষুধা আৰু দৰিদ্ৰতাৰ বিৰুদ্ধে গোলকীয় জোট আৰম্ভ কৰাৰ বাবে ব্ৰাজিলৰ অধ্যক্ষতাৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ লগতে বিশ্বৰ বঞ্চিত আৰু নীপিড়িত সম্প্ৰদায়সমূহৰ উন্নয়নৰ উদ্দেশ্যে আৰম্ভ কৰা এই গুৰুত্বপূৰ্ণ উদ্যমৰ প্ৰতি ভাৰতৰ পূৰ্ণ সমৰ্থন প্ৰকাশ কৰে। বহনক্ষম কৃষি, জৈৱিক কৃষি, মিলেট আৰু জলবায়ু অনুকূল শস্যৰ প্ৰসাৰৰ ক্ষেত্ৰত ভাৰতে আৰোপ কৰা গুৰুত্বৰ বিষয়েও শ্ৰীমোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ডিজিটেল কৃষি অভিযানৰ লেখিয়া ভাৰতৰ ডিজিটেল আন্তঃগাঁথনি আৰু উদ্ভাৱনমূলক কাৰ্য্যসূচীসমূহ সৰ্বাত্মক উন্নয়নৰ বাবে গোলকীয় আৰ্হি হিচাপে পৰিগণিত হৈছে। প্ৰধানমন্ত্ৰীয়ে বেক টু বেচিকছ্‌ আৰু ভৱিষ্যতৰ দিশে অগ্ৰসৰ বিষয়ক ভাৰতৰ দ্বৈত দৃষ্টিভংগীৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এই দৃষ্টিভংগী পৰম্পৰাগত কাৰ্য্য প্ৰণালী আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰেৰে কিদৰে ক্ষুধা আৰু দৰিদ্ৰতা নিৰ্মুল কৰিব পৰা যায়, তাৰ উদাহৰণ হৈ পৰিছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে।

ooooooooo

চৰকাৰে সংসদৰ শীতকালীন অধিৱেশনৰ পূৰ্বে ২৪ নবেম্বৰত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে শীতকালীন অধিৱেশনৰ সময়ছোৱাত লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সকলো ৰাজনৈতিক দলৰ সহায়-সহযোগিতা কামনা কৰিব। সংসদৰ শীতকালীন অধিৱেশন ২৫ নবেম্বৰৰ পৰা ২০ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব।

ooooooooo

উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্নাই ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ ভয়াবহ প্ৰদুষণলৈ চাই সকলো ন্যায়াধীশকে যথাসম্ভৱ ভাৰ্চুৱেল ব্যৱস্থাৰে শুনানী গ্ৰহণ কৰিবলৈ কোৱা হৈছে বুলি প্ৰকাশ কৰিছে। মুখ্য ন্যায়াধীশ আৰু ন্যায়াধীশ সঞ্জয় কুমাৰক লৈ গঠিত বিচাৰপীঠৰ ওচৰত উচ্চতম ন্যায়ালয়ৰ উকীল সন্থাৰ সভাপতি কপিল ছিৱালৰ লগতে একাংশ অধিবক্তাই আজি দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ প্ৰদুষণৰ সমস্যা বেয়াৰ পিনে ঢাল খোৱাৰ কথা উল্লেখ কৰে আৰু এই সমস্যাৰ সমাধানৰ বাবে ততালিকে ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ইয়াৰ প্ৰত্যুত্তৰত মুখ্য ন্যায়াধীশগৰাকীয়ে কয় যে, সকলো ন্যায়াধীশকে সম্ভৱ হ'লে ভাৰ্চুৱেল ব্যৱস্থাৰে শুনানী গ্ৰহণৰ অনুমতি দিবলৈ কোৱা হৈছে।

ooooooooo

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ কাইলৈ হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই পৰ্যায়ত ১২ খন জিলাৰ ৩৮টা সমষ্টিক সামৰি লোৱা হ'ব। এই পৰ্যায়ত এক কোটি ২৩ লাখতকৈও অধিক ভোটদাতাই ৫৫ গৰাকী মহিলাকে ধৰি মুঠ ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা উল্লেখযোগ্য প্ৰাৰ্থীসকলৰ ভিতৰত হেমন্ত চোৰেন, বিজেপিৰ ৰাজ্যিক সভাপতি বাবুলাল মাৰাণ্ডি, অধ্যক্ষৰবীন্দ্ৰ নাথ মাহটো, বিধানসভাত বিৰোধী পক্ষৰ নেতা অমৰনাথ কুমাৰ বৌৰি, এ জে এছ ইউৰ সভাপতি সুদেশ কুমাৰ মাহটো, ৰাজ্যিক মন্ত্ৰী ইৰফান আনচাৰি, হাফিজুল হাচান, দীপিকা পাণ্ডে সিং আৰু কল্পনা চোৰেণ অন্যতম। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ভিতৰত ৭ হাজাৰ কেন্দ্ৰক

স্পৰ্শকাতৰ বুলি চিনাক্ত কৰা হৈছে। নিৰ্বাচন নিকা আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ বাবে ৰাজ্যখনৰ স্পৰ্শকাতৰ এলেকাসমূহত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০ টা কোম্পানী নিয়োগ কৰা হৈছে। দ্বিতীয় পৰ্য্যায়ৰ নিৰ্বাচন এন ডি এ আৰু আই এন ডি আই উভয় মিত্ৰজোটৰ বাবে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। ২০১৯ বৰ্ষৰ বিধানসভা নিৰ্বাচনত এই ৩৮ খন আসনৰ ভিতৰত ঝাৰখণ্ড মুক্তি মৰ্চাই ১৩ খন, বিজেপিয়ে ১২ খন, কংগ্ৰেছে ৮ খন আৰু চি পি আইয়ে এখন আসন দখল কৰিছিল। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০০০০০

ভাৰতীয় প্ৰতিযোগিতা আয়োগে ২০২১ চনত গোপনীয়তা নীতিৰ আপডেট সন্দৰ্ভত ছ'ছিয়েল মিডিয়া প্লেটফৰ্ম মেটাক ২১৩ কোটি ১৪ লাখ টকাৰ জৰিমনা বিহিছে। আয়োগে লগতে পৰৱৰ্তী ৫ বছৰলৈ বিজ্ঞাপনৰ উদ্দেশ্যে মেটাৰ মালিকানাধীন অন্য এপ্লিকেচনৰ সৈতে ব্যৱহাৰকাৰীৰ তথ্য ভগাই নল'বলৈ নিৰ্দেশ দিছে। আয়োগে কৈছে যে, হোৱাটছএপ সেৱাৰ বাহিৰে অন্য কোনো কাৰণত তথ্যৰ বিনিময়ক ভাৰতত হোৱাটছএপ ব্যৱহাৰৰ বাবে পূৰ্ব চৰ্ত বুলি গণ্য কৰিব পৰা নাযাব। আয়োগে তথ্য বিনিময়ৰ ব্যৱস্থাক লৈ সমগ্ৰ বিশ্বত আলোচনাৰ সূত্ৰপাত হোৱাৰ পাছত ২০২১ চনৰ মাৰ্চত এই নীতিৰ তদন্ত আৰম্ভ কৰিছিল। এই নীতিৰ অধীনত হোৱাটছএপে ব্যৱহাৰকাৰীৰ তথ্য, ফেচবুক আৰু অন্য সহায়ক কোম্পানীৰ সৈতে বিনিময়ৰ অনুমতি প্ৰদান কৰা হৈছিল আৰু ইয়াৰ ফলত ব্যৱহাৰকাৰীৰ গোপনীয়তা ভংগ আৰু তথ্যৰ অপ ব্যৱহাৰক লৈ আশংকাৰ সৃষ্টি হৈছিল।

০০০০০০০০০

চলিত বৰ্ষৰ বৰ্তমানলৈকে ৮৬ লাখৰো অধিক তীৰ্থযাত্ৰীয়ে জম্মু-কাশ্মীৰৰ ৰিয়াচি জিলাৰ ত্ৰিকূট পৰ্বতত অৱস্থিত বৈষ্ণ'দেৱী মন্দিৰ দৰ্শন কৰিছে। আমাৰ সংবাদদাতাই জনাইছে, যে ডিচেম্বৰৰ শেষ ভাগলৈকে মন্দিৰ দৰ্শন কৰা তীৰ্থযাত্ৰীৰ সংখ্যাই ৯৫ লাখ অতিক্ৰম কৰাৰ সম্ভাৱনা আছে।

দিল্লী চৰকাৰে ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ ভয়াবহ বায়ু প্ৰদুষণ সমস্যাৰ সমাধানৰ বাবে ক্লাউড চিডিং প্ৰযুক্তিৰ সহায়েৰে কৃত্ৰিম বৰষুণৰ অনুমতি প্ৰদান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি আহ্বান জনাইছে। দিল্লীৰ পৰিৱেশ মন্ত্ৰী গোপাল ৰায়ে বায়ু প্ৰদুষণ সন্দৰ্ভত এখন জৰুৰীকালীন বৈঠক আহ্বান কৰিবলৈ অনুৰোধ জনাই কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰী ভূপেন্দ্ৰ যাদৱলৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীৰায়ে কয়, যে বিষয়টো লৈ বিশেষজ্ঞৰ সৈতে আলোচনা কৰা হৈছে আৰু ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ দিল্লীৰ বায়ুৰ মান উন্নত কৰিবলৈ আৰু ভুৱা মিহলি কুঁৱলী আঁতৰ কৰিবলৈ কৃত্ৰিম বৰষুণৰ সহায় লোৱাৰ সময় আহি পৰিছে।

ইপিনে, ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা মতে দিনৰ ১ বজাত ৰাষ্ট্ৰীয় ৰাজধানীত বায়ুৰ গুণগত মান এ কিউ আই সূচ্যাংক ৪৭৩ পোৱা গৈছে। কেন্দ্ৰীয় প্ৰদুষণ নিয়ন্ত্ৰণ পৰিষদৰ তথ্য অনুসৰি আনন্দ বিহাৰত এ কিউ আই ৪৮৯, বৱানাত ৪৮৩, জে এল এন ষ্টেডিয়ামত ৪৬১ আৰু আৰ কে পুৰমত ৪৬৮ পোৱা গৈছে।

আনহাতে, দিল্লীত বায়ুৰ গুণাগুণৰ অৱনতি ঘটাৰ বাবে আজিৰ পৰা দিল্লী, গাজিয়াবাদ আৰু নয়দাৰ বিদ্যালয়সমূহত পাঠদান আৰম্ভ হ'ব। উল্লেখযোগ্য, যে পৰৱৰ্তী জাননী জাৰি নকৰা পৰ্য্যন্ত অনলাইন পাঠ্যক্ৰম অব্যাহত থাকিব। দিল্লী বিশ্ববিদ্যালয়, জামিয়া মিলিয়া ইছলামিয়া আদিৰ দৰে বিশ্ববিদ্যালয়সমূহত শনিবাৰলৈকে আৰু জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ত শুকুৰবাৰলৈকে অনলাইন পাঠদান অব্যাহত থাকিব।

oooooooooo

সমাপ্ত